**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং –১৯৯**
**উত্তৰ দিয়াৰ তাৰিখ - ০৯–০৭–২০২৬**
**বিষয়ঃ বুঢ়ীদিহিংত প্ৰতিষ্ঠা হোৱা বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ শিক্ষাদান আৰম্ভ কৰাৰ সম্পৰ্কে।**
**বিধায়ক: শ্ৰীসুৰেণ ফুকনঃ**

**প্ৰশ্ন**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিংত প্ৰতিস্থা হোৱা বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ কাম সম্পূৰ্ণ হৈ উঠিল নে জনাব।

(খ) ২০২৫ বৰ্ষৰ পৰা উক্ত মহাবিদ্যালয়ত শিক্ষাবৰ্ষ আৰম্ভ হোৱা নাই, এই ক্ষেত্ৰত বিভাগে কেতিয়াৰ পৰা শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে জনাব।

**উত্তৰ**

**মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগু দেৱে উত্তৰ দিব :-**

(ক) অসমৰ তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিংত স্থাপিত বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য ২০২৬ চনৰ মে’ মাহত সম্পূৰ্ণ হৈছে৷ লোকনিৰ্মাণ বিভাগৰ কাৰ্য্যবাহী অভিযন্তাৰ প্ৰতিবেদন অনুসৰি, সম্পূৰ্ণ হোৱা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি অতি সোনকালে আনুষ্ঠানিকভাৱে সংশ্লিষ্ট কৰ্তৃপক্ষক গতাই দিয়াৰ সম্ভাৱনা আছে।

(খ) আদৰ্শ মহাবিদ্যালয় থনৰ শৈক্ষিক অধিবেশন এতিয়াও আৰম্ভ হোৱা নাই। কিন্তু মহাবিদ্যালয়ৰ ভৱন আৰু আনুষংগিক আন্তঃগাঁথনিৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ বাবে প্ৰতিষ্ঠানটোৱে এতিয়া শ্ৰেণী আৰম্ভ কৰিব পৰা অৱস্থাত আছে৷ শৈক্ষিক অধিবেশন আৰম্ভ তথা শ্ৰেণী খোলাৰ সন্দৰ্ভত গোটেই বিষয়টো অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সক্ৰিয় বিবেচনাধীন হৈ আছে৷

…………………………